# অসম বিধান সভা

মৌখিক উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

**শুক্ৰবাৰ, ৩ মাৰ্চ, ২০১৭**

**গড়কাপ্তানী (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ সমূহ), মীন, আবকাৰী, জলসিঞ্চন, হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম, (খাদী আৰু গ্ৰাম্য উদ্যোগ বাদ দি)।**

**প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ২০**

*বিষয় ঃ* **বদলি সংক্ৰান্তীয়** ।

শ্ৰীঅতুল বৰা ঃ

*২৪১। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) PCC ডিভিজনত একেৰাহে ১০/১৫ বছৰ কাম কৰি থকা JE আছেনে ?

(খ) যদি আছে কেইজন, তেওঁলোকৰ নাম কি কি ?

(গ) যদি তিনি বছৰৰ মূৰে মূৰে বদলি কৰা হয়, তেন্তে একেস্থানতে বহু বছৰ হোৱা কেইগৰাকীক বদলি কৰাৰ ব্যৱস্থা ল'বনে ?

*বিষয় ঃ* **উপসংমণ্ডল স্থাপন** ।

শ্ৰীসত্যব্ৰত কলিতা ঃ

*২৪২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী (পথ) বিভাগৰ এটা উপ সংমণ্ডল বাইহাটা চাৰিআলি এলেকাত স্থাপনৰ বাবে নং RBEB.194/2007 ফাইলটো বিত্ত বিভাগৰ নিৰ্দেশ কাৰ্য্যকৰী কৰাৰ অন্তত পুনৰ বিবেচনাৰ বাবে বিত্ত বিভাগলৈ প্ৰেৰণ কৰা হৈছে (তৰাচিহ্নিত প্ৰশ্ন নং ৮৫ (ক) দিনাংক ২২/৭/২০১৬) উত্তৰ সাপেক্ষে বিত্ত বিভাগলৈ পুনৰ পঠোৱা সংশ্লিষ্ট ফাইলটোৱে অনুমোদন লাভ কৰিলেনে ?

(খ) যদি অনুমোদন লাভ কৰিছে, অধিসূচনা কেতিয়া জাৰি কৰিব ?

(গ) আগন্তুক ইং ২০১৭-১৮ বিত্তীয় বৰ্ষত ইয়াৰ কাম-কাজ আৰম্ভ কৰিব পৰা যাবনে ?

(ঘ) যদি অনুমোদন লাভ কৰা নাই, কাৰণ জনাবনে ?

*বিষয় ঃ* **ৰূপাই চাইডিং হস্ততাঁত বস্ত্ৰ শিল্প কেন্দ্ৰ।**

শ্ৰীদুৰ্গা ভূমিজ ঃ

*২৪৩। মাননীয় হস্ততাঁত ও বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুমডুমা সমষ্টিৰ ৰূপাই (চাইডিং)ত হস্ততাঁত ও বস্ত্ৰ শিল্প প্ৰশিক্ষণ কেন্দ্ৰ আছেনে ? উক্ত প্ৰশিক্ষণ কেন্দ্ৰটোৰ চাৰিসীমাৰ লগত বাথৰূম, লেট্ৰিন, দুৱাৰ খিৰিকীৰ আইনা আচবাব আদি জহিখহি গৈছে, চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, তেন্তে উক্ত কেন্দ্ৰটো পুনৰ নিৰ্মাণৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব জনাবনে ?

(গ) প্ৰশিক্ষণ কেন্দ্ৰটো অতি জৰাজীৰ্ণ হোৱাৰ কাৰণে উক্ত কেন্দ্ৰটোত প্ৰশিক্ষণ লবলৈ প্ৰশিক্ষাৰ্থী নাহে, সঁচানে ?

(ঘ) প্ৰশিক্ষাৰ্থী সকলে পোৱা মাহিলী জলপানী ৮০.০০ টকা পৰ্য্যাপ্ত হৈছেনে ? ইয়াক বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিবনে ?

*বিষয় ঃ* **কাঠৰ দলং আৰু পথ মেৰামতি ।**

শ্ৰীচাহাব উদ্দিন আহমেদ ঃ

*২৪৪। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৩৯ নং জলেশ্বৰ বিধান সভা সমষ্টিত বৰ্ত্তমানে কিমানখন কাঠৰ দলং আছে আৰু এই দলং সমূহ কোন কোন ৰাস্তাৰ ওপৰত অৱস্থিত ?(বিতং ভাৱে জনাব)

(খ) কাঠৰ দলং সমূহ পকীকৰণৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

(গ) উক্ত সমষ্টিৰ অন্তৰ্গত কিমানটা গড়কাপ্তানী বিভাগৰ পথ পকীকৰণ কৰিবলৈ বাকী আছে ? (বিতং তথ্য সদনত দাখিল কৰিব)

(ঘ) জলেশ্বৰ বিধান সভা সমষ্টিত কোন কোন পথ (PMGSY) নিৰ্মাণৰ ৫ বছৰীয়া সময়সীমা উকলি গৈছে ? সময় উকলি যোৱা পথসমূহ কি কি আৰু সময় সীমাৰ ভিতৰত থকা পথসমূহ কি কি ? (পথ সমূহ নিৰ্মাণ কৰা ঠিকাদাৰৰ নাম, ঠিকনা, Plan and Estimate সহ সবিশেষ তথ্য সদনত দাখিল কৰিব)

*বিষয় ঃ* **RIDF আঁচনিৰ ধন ।**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

*২৪৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ গড়কাপ্তানী বিভাগত RIDF আঁচনিৰ অধীনত ইং ২০১৬-২০১৭ বিত্তীয় বৰ্ষত কোন কোন সমষ্টিত কিমান টকা দিয়া হৈছিল ? (সমষ্টিৰ বিপৰীতে দিয়া টকাৰ পৰিমাণ উল্লেখ কৰি সদনৰ মেজত দাখিল কৰিব)

(খ) সমষ্টি সমূহত দিয়া টকাৰ কিমান শতাংশ কাম হৈছে আৰু কিমান শতাংশ টকাৰ কাম বাকী আছে ?

(গ) বাকী থকা টকাৰ কাম কেতিয়া শেষ হ'ব ?

*বিষয় ঃ* **জলসিঞ্চন ব্যৱস্থা ।**

শ্ৰীযোগেন মহন ঃ

*২৪৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, অসমৰ বিভিন্ন জিলাৰ লগতে চৰাইদেউ জিলাৰ ১০৫ মাহমৰা সমষ্টিটো প্ৰতি বছৰে বানপানী হয় ?

(খ) এইটো জ্ঞাতনে, নিৰ্দিষ্ট সময়ত খেতি কৰিব নোৱাৰাৰ কাৰণে কৃষক সকলে অধিক উৎপাদন কৰিব নোৱাৰে ?

(গ) চৰাইদেউ জিলাৰ ১০৫ মাহমৰা সমষ্টিত জলসিঞ্চনৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(ঘ) কৃষক সকলে উপকৃত হ'ব পৰা কৈ কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে ?

*বিষয় ঃ* **পথ মেৰামতি ।**

শ্ৰীপীযুষ হাজৰিকা ঃ

*২৪৭। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জাগীৰোড-মৰিগাওঁ পথৰ মেৰামতি আৰু বহলিকৰণৰ কাম কেতিয়াৰ পৰা আৰম্ভ হৈছিল আৰু কেতিয়া সম্পূৰ্ণ হ'ব লগা আছিল ?

(খ) এই পথছোৱাৰ বৰ্তমান কামৰ অগ্ৰগতি কি আৰু সম্পূৰ্ণ কেতিয়া হ'ব ?

(গ) বিগত বিধান সভাত মন্ত্ৰী মহোদয়ে পবিত্ৰ বিধান সভাৰ মজিয়াত কোৱাৰ দৰে "SIMPLEX" নামৰ Company টোক Black listed কৰাৰ কিবা ব্যৱস্থা হাতত লোৱা হৈছে নেকি ?

*বিষয় ঃ* **পকী দলং নিৰ্মাণ সম্পৰ্কে।**

শ্ৰীওয়াজেদ আলী চৌধুৰী ঃ

*২৪৮। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে কোন কোন জিলাত আৰু কোন কোন বিধান সভা সমষ্টিত কিমান সংখ্যক পকী দলং নিৰ্মাণ কৰাৰ বাবে আঁচনি গ্ৰহণ কৰিছে ?

(খ) দক্ষিণ শালমাৰা বিধান সভা সমষ্টিৰ প্ৰস্তাৱিত (টিপকাই নদী) আলমগঞ্জ ফুলকাটাৰীৰ পৰা জকৰা বন্ধিহনা PMGSY ৰাস্তাত পকী দলং ৰূপায়ণ কৰাৰ পদক্ষেপ হাতত লৈছে নেকি ?

(গ) দক্ষিণ শালমাৰা সমষ্টিৰ অন্তৰ্গত অনুমোদিত কলাবাৰী পকী দলং খনৰ কাম কেতিয়া আৰম্ভ কৰা হ'ব ?

*Sub :* **State Highways.**

Shri PRAFULLA KUMAR MAHANTA :

*249. Will the Minister of P.W.D be pleased to state :

(a) How many State Highways are existing in Assam ? (Kindly furnished the details)

(b) On what basis such roads are declared as State Highways ? Whether the Govt. of Assam has declared such roads as State Highways by way of issuing any notification ?

(c) What is the amount of money that was sanctioned by the Govt. of Assam as well as by the central Govt. of such State Highways ? (Kindly furnish detail)

*বিষয় ঃ* **PMGSY Roads.**

শ্ৰীমৃনাল শইকীয়া ঃ

*২৫০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৫ বছৰ পূৰ্ণহোৱা PMGSY Scheme ৰ অধীনত নিৰ্মিত কিমান কিঃমিঃ ৰাস্তা অসমত আছে ?

(খ) চৰকাৰ জ্ঞাতনে যে এই ৰাস্তা সমূহ ভগ্ন প্ৰায় হৈছেগৈ ?

(গ) এই ৰাস্তাসমূহৰ পুনৰ নিৰ্মাণৰ পৰিকল্পনা কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হ'ব ?

*Sub :* **Meen Bhawan Office Building.**

Shri KRIPANATH MALLAH :

*251. Will the Minister of Fisheries be pleased to state :

(a) Whether Department of Fisheries has received letter No. KNM/RTB/DEV/2016-17/21, dated 06/8/2016 from the C.M's Secretariat addressed to the Hon'ble Chief Minister, Assam, submitted by the MLA, Ratabari regarding construction of Meen Bhawan, office of the Sub-Divisional Fishery Development, R.K. Nagar ?

(b) If so, what action has been initiated for sanctioning necessary fund ? (Please place copy of letter if received from C.M's Secretariat)

(c) Whether the Govt. will allocate necessary fund in the coming 2017-2018 State Budget for construction of the said building if there is no scope of placing fund from 2016-2017 budget ?

*বিষয় ঃ* **পকী দলং নিৰ্মাণ সম্পৰ্কত।**

শ্ৰীমতী ৰ'জলীনা তিৰ্কী ঃ

*২৫২। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুপথাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত ৩৯ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নামবৰ বনাঞ্চলৰ মধ্যস্থান আলিছিঙা অঞ্চলত টেঙানী গাঁও পঞ্চায়তৰ ৪২ খন গাঁৱলৈ সংযোগী ধনশিৰি নদীৰ এখন বাঁহৰ দলঙেৰে আৰু বাৰিষা টুলুঙা নাৱৰ জৰিয়তে যাতায়ত কৰি থকা বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদিহে অৱগত, সেই অঞ্চলত ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত এখন পকী দলং নিৰ্মাণৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

*বিষয় ঃ* **ফকৰুদ্দিন পথ ।**

শ্ৰীটেৰেছ গোৱালা ঃ

*২৫৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ফকৰুদ্দিন আহমেদ পকী পথ যোজনাৰ অধীনত বিগত চৰকাৰৰ দিনত Tender পোৱা ঠিকাদাৰ সকলে আজিও কিমান ঠাইত নিৰ্মাণৰ কাম আৰম্ভ কৰা নাই ?

(খ) চৰকাৰ জ্ঞাত নেকি কিছু ঠিকাদাৰে কাম ধীৰ গতিত কৰিছে ?

(গ) পথ সম্পূৰ্ণ কৰা ঠিকাদাৰ সকলৰ বিল আদায় দিয়া হ'বনে ? যদি হ'ব কেতিয়া হ'ব ?

*বিষয় ঃ* **গামোচা ।**

শ্ৰীবিমল বড়া ঃ

*২৫৪। মাননীয় হস্ততাঁত বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বছৰি কিমান সংখ্যক গামোচা, দখনা আৰু আৰনাইৰ চাহিদা আছে ?

(খ) অসমত থলুৱাভাৱে মুঠ উৎপাদিত গামোচা, দখনা আৰু আৰনাইৰ সংখ্যা কিমান ?

(গ) কিমান সংখ্যক গামোচা, দখনা আৰু আৰনাই বহিঃৰাজ্যৰ পৰা আমদানি হয় ?

(ঘ) অসমত প্ৰয়োজন হোৱা গামোচা, দখনা আৰু আৰনাই অসমৰ শিপিনীৰ দ্বাৰাই ১০০% উৎপাদন কৰি গ্ৰাম্যাঞ্চলৰ মহিলাসকলক অৰ্থনৈতিক ভাৱে সবল কৰা চৰকাৰৰ কিবা আঁচনি আছেনে ?

(ঙ) বহিঃৰাজ্যৰ আমদানিকৃত গামোচা, দখনা আৰু আৰনাই বন্ধ কৰি থলুৱা শিপিনীসকলক উপকৃত কৰাৰ ক্ষেত্ৰত কিবা আইন আছে নেকি ?

(চ) যদি আছে, কাৰ্য্যকৰী হৈছেনে ?

*বিষয় ঃ* **পানী যোগান ।**

শ্ৰীউৎপল দত্ত ঃ

*২৫৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলসিঞ্চন বিভাগে কৃষকক পানী যোগানৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে ?

(খ) ২০০৫-২০০৬ বৰ্ষৰ পৰা কিমান হেক্টৰ মাটিত পানী যোগান ধৰিব পাৰিছে ?

(গ) জলসিঞ্চন আঁচনিৰ ভিতৰত কি কি আঁচনি অসম্পূৰ্ণ হৈ আছে আৰু এই আঁচনি সমূহ কেতিয়া আৰম্ভ কৰা হৈছিল, কেতিয়াকৈ সম্পূৰ্ণ কৰা হ'ব ? (আঁচনি অনুসৰি তথ্য দিব)

(ঘ) অসম্পূৰ্ণ আঁচনিবোৰ কোন কোন ঠিকাদাৰক আবণ্টন দিয়া হৈছিল আৰু আঁচনিৰ বিপৰীতে মুঠ আবণ্টন, মোকলাই দিয়া ধনৰ পৰিমাণ কিমান আছিল ?

(ঙ) জলসিঞ্চন আঁচনি সম্পূৰ্ণ হোৱাৰ পাছত কিমান আঁচনি অকামিলা হৈ আছে ? (জিলা অনুসৰি তথ্য দিব)

(চ) জিলা অনুসৰি কাৰ্য্যক্ষম হৈ থকা আঁচনিৰ সংখ্যা কিমান আৰু এই আঁচনিয়ে মুঠ কিমান কৃষি ভূমিত পানী যোগান ধৰি আছে ?

(ছ) জলসিঞ্চনে সামৰিব পৰা কিমান পৰিমাণৰ কৃষি ভূমি আছে আৰু এই কৃষি ভূমি কেতিয়াৰ ভিতৰত জলসিঞ্চনৰ বাবে সামৰি লোৱা হ'ব ?

*বিষয় ঃ* **কুৰুৱা নাৰেঙ্গী সংযোগী দলং ।**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

*২৫৬। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰস্তাৱিত 'কুৰুৱা নাৰেঙ্গী সংযোগী দলং' নিৰ্মাণৰ বাবে প্ৰয়োজনীয় D.P.R. প্ৰস্তুত হ'লনে ?

(খ) ইয়াৰ বাবে মাটি অধিগ্ৰহণৰ কাম আৰম্ভ কৰা হ'ল নেকি ?

(গ) দলংখনৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ কিমান ধন আৰু সময় নিৰ্দ্ধাৰণ কৰা হৈছে ?

(ঘ) কুৰুৱা নাৰেঙ্গী সংযোগী দলঙৰ পৰা ডুমুনিচকী সংযোগী পথচোৱা কিমান লেনযুক্ত কৰিবলৈ আঁচনি হাতত লোৱা হৈছে ?

(ঙ) ইয়াৰ কাম বৰ্তমান কি পৰ্য্যায়ত আছে জনাবনে ?

*বিষয় ঃ* **জয়ভূম FIS আঁচনি ।**

শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ঃ

*২৫৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰে দায়িত্ব ভাৰ লোৱাৰ পৰা বৰ্তমানলৈ বিধান সভা সমষ্টি ভিত্তিত বিভিন্ন শিতানত কিমান টকাৰ আঁচনিৰ মঞ্জুৰী দিছে, কিমান টকা মোকলাই দিছে বিতং ভাৱে জনাবনে ?

(খ) গোৱালপাৰা পশ্চিম বিধান সভা সমষ্টিৰ অন্তৰ্গত জয়ভূম FIS আৰু জুৰীগাঁও FIS আঁচনি দুটা কেতিয়া মঞ্জুৰী পাইছিল, কিমান টকাৰ মঞ্জুৰী পাইছিল, বৰ্তমানলৈ কি কি কাম হৈছে আৰু ইয়াৰ বাবে ঠিকাদাৰক কিমান টকা আদায় দিয়া হৈছে, কি কি কাম এতিয়াও কৰিবলগীয়া আছে আৰু সেইবিলাক কেতিয়াকৈ সম্পূৰ্ণ হ'ব, আঁচনি দুখনে কেতিয়ালৈকে কৃষকৰ খেতি পথাৰত পানী যোগান দিবলৈ সক্ষম হ'ব বিতং ভাৱে জনাবনে ?

*Sub :* **Handloom and Textiles.**

Shri AMINUL ISLAM :

*258. Will the Minister of Handloom and Textile be pleased to state :

(a) How many Blankets, Yarns and Mosquito Nets were distributed among the beneficiaries in the last two years ? (Please furnish District & LAC wise data)

(b) From where were the articles/ materials were purchased and what was the rate ? (Furnish the agreement of purchasing the materials with the Distributor/suppliers, quantity, rate and total payment alongwith the receipt copy for all the materials for all the Districts)

(c) Did any material remain yet to be distributed ? (Furnish state wise data)

*বিষয় ঃ* **জলসিঞ্চন আঁচনি।**

শ্ৰীআব্দুল খালেক ঃ

*২৫৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কৃষিৰ উপযোগী মাটিৰ পৰিমাণ কিমান ? তাৰে কিমান মাটি চৰকাৰে জলসিঞ্চনৰ সুবিধা প্ৰদান কৰি আছে ?

(খ) বৰপেটা জিলাত কৃষি উপযোগী মাটিৰ পৰিমাণ কিমান ? তাৰে কিমান মাটিত চৰকাৰে জলসিঞ্চনৰ সুবিধা প্ৰদান কৰি আছে ?

(গ) কলগাছিয়া ৰাজহ চক্ৰ এলেকাত কৃষি উপযোগী মাটিৰ পৰিমাণ কিমান ? তাৰে কিমান মাটিত চৰকাৰে জলসিঞ্চনৰ সুবিধা প্ৰদান কৰি আছে ? (ৰাজহ গাঁও ভিত্তিক বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(ঘ) বিগত দুবছৰত কলগাছিয়া ৰাজহ চক্ৰৰ কোন কোন গাঁৱত কোন কোন তাৰিখে জলসিঞ্চন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে পৰিদৰ্শন কৰিছে ?

(ঙ) কলগাছিয়া ৰাজহ চক্ৰ এলেকাত জলসিঞ্চন বিভাগৰ কিমান আঁচনি আছে ? (বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

*বিষয় ঃ* **গড়কাপ্তানীৰ (গৃহ) কাৰ্য্যালয় বৰপেটালৈ স্থানান্তৰৰ সম্পৰ্কত।**

শ্ৰীগুণীন্দ্ৰ নাথ দাস ঃ

*২৬০। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা চহৰত অৱস্থিত গড়কাপ্তানী (গৃহ) সংমণ্ডল কাৰ্য্যালয়টো ২০০৫ চনত কি কাৰণত নলবাৰী লৈ স্থানান্তৰ কৰিলে ?

(খ) উক্ত কাৰ্য্যালয়টো স্থানান্তৰৰ কাৰণে বৰপেটা জিলাৰ বিভিন্ন উন্নয়নত বাধাগ্ৰস্ত হোৱা নাই নেকি ?

(গ) জিলাখনৰ উন্নয়নৰ স্বাৰ্থত কাৰ্য্যালয়টো বৰপেটা চহৰলৈ পুনৰ স্থাপনৰ ব্যৱস্থা কৰিবনে ?

---

AGP (Mini) 54/17-L.A.Q.-700-240-2-17.